# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-04-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি অৰুণাচল প্ৰদেশত আয়োজিত ম’পিন উৎসৱত অংশগ্ৰহণ কৰে। ৰাজ্যখনৰ মূলতঃ ইষ্ট আৰু ৱেষ্ট ছিয়াং জিলাৰ গালো জনগোষ্ঠীয় লোকসকলে ম’পিন উৎসৱ পালন কৰি আহিছে। প্ৰকৃতি শক্তি আৰু সমৃদ্ধিৰ বাবে উদযাপন কৰা ম’পিন উৎসৱত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই তেওঁক আমন্ত্ৰণ জনোৱাৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু আৰু গালো জনগোষ্ঠীয় আয়োজক মণ্ডলীক কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অৰুণাচল প্ৰদেশ আৰু অসম কেৱল ভৌগোলিক সীমাৰেই নহয় বহু শতিকাজোৰা ঐতিহ্য সভ্যতা শিপাৰে সংযুক্ত সমন্বয়ৰ প্ৰতীক। অসমীয়া সমাজৰ বহু উৎসৱৰ দৰেই ম’পিন উৎসৱৰো আধাৰ প্ৰকৃতিয়েই বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই উল্লেখ কৰে।

০০০০০

সমাগত পঞ্চায়ত নিৰ্বাচনত কমলপুৰৰ বিজেপি বিধায়ক দিগন্ত কলিতা আৰু কমলপুৰৰ অসম গণ পৰিষদৰ প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতাই পঞ্চায়তৰ নিৰ্বাচনত মিত্ৰতাৰে একেলগে অৱতীৰ্ণ হ’ব। আজি কামৰূপৰ বাইহাটা চাৰিআলিৰ কৰৰাত আয়োজিত এখন সংবাদমেলৰ যোগেদি দুয়োজন নেতাই এই কথা ঘোষণা কৰিছে। বিজেপি আৰু অগপ দলে সন্মানজনকভাৱে আসন ভাগ-বাটোৱাৰা কৰি বিৰোধী পক্ষলৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সাজু বুলি বিধায়ক দিগন্ত কলিতাই ঘোষণা কৰে।

০০০০০

হোজাই জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে আজি পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি জিলাখনত দ্বিতীয় পৰ্যায়ত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ’ব। জিলাখনত ৭৭৪টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ হ’ব। জিলাখনত মুঠ ভোটাৰৰ সংখ্যা ৬ লাখ ৩০ হাজাৰ ৬০০ গৰাকী। ইয়াৰে ৩ লাখ ৩০ হাজাৰ পুৰুষ ভোটাৰ আৰু ৩ লাখ ৭ হাজাৰ ৫৯১ গৰাকী মহিলা আৰু অন্যান্য ৯ গৰাকী ভোটাৰ আছে। জিলাখনত পঞ্চায়ত নিৰ্বাচন পৰিচালনা কৰিবলৈ ৩ হাজাৰ ৭১৬ গৰাকী বিষয়া নিযুক্ত কৰা হ’ব। গাঁও পঞ্চায়তৰ সদস্যসকলৰ বাবে মনোনয়ন দাখিল কৰিবলৈ জিলাখনৰ ৫টা খণ্ডত ব্যৱস্থা কৰা হৈছে। জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ সদস্যৰ প্ৰাৰ্থীয়ে জিলা আয়ুক্তৰ কাৰ্যালয় আৰু লামডিং সমজিলা কাৰ্যালয়ত মনোনয়ন দাখিল কৰিব পাৰিব। একে সময়তে জিলা প্ৰশাসনে নিৰ্বাচনৰ প্ৰচাৰ সভাৰ ক্ষেত্ৰতো নীতি-নিৰ্দেশনা জাৰি কৰিছে।

০০০০০

আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰতিষ্ঠা দিৱস। ১৯৪৮ চনৰ আজিৰ দিনটোতে কাৰ্যকৰীকৰণেৰে গুৱাহাটী উচ্চ ন্যায়ালয় প্ৰতিষ্ঠা হৈছিল। এই উপলক্ষে সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে ৰাজ্য

তথা উত্তৰ পূৰ্বাঞ্চলৰ ন্যায় ব্যৱস্থাৰ দৃষ্টিকোণেৰে আজি এটা অতি উল্লেখযোগ্য দিন। ন্যায়ালয় প্ৰতিষ্ঠাৰ আঁৰৰ ব্যক্তিসকলক স্মৰণ কৰাৰ লগতে মুখ্যমন্ত্ৰীগৰাকীয়ে বৰ্তমানে ন্যায়ালয়ৰ সৈতে জড়িত থকা প্ৰতিগৰাকী ব্যক্তিলৈ অভিনন্দন তথা শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি দুই মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত বিশিষ্ট সাংবাদিক, আছাম টক্‌ছ চেনেলৰ মুখ্য সম্পাদক প্ৰাণজিৎ শইকীয়াৰ সৈতে এটা অগতানুগতিক সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

আজি অশোকাষ্টমীৰ স্নান উপলক্ষে ধুবুৰীৰ ব্ৰহ্মপুত্ৰৰ পাৰত লোকে লোকাৰণ্য হৈ উঠিছে। পুৱাৰে পৰা হাজাৰ হাজাৰ ভক্তই বৰলুইতৰ পাৰত স্নানৰ বাবে উপস্থিত হৈছে। অশোকাষ্টমীৰ দিনটোত সনাতন ধৰ্মৰ লোকসকলে ধৰ্মীয় নীতি-নিয়ম ৰক্ষা কৰি স্নান কৰাৰ পৰম্পৰা চলি আহিছে। ধুবুৰীৰ বিভিন্ন প্ৰান্তৰ লগতে পশ্চিম বংগ, বিহাৰৰ অসংখ্য ভক্তৰ আগমনত ধুবুৰীৰ ব্ৰহ্মপুত্ৰৰ পাৰ তীৰ্থস্থানত পৰিণত হৈছে। অশোকাষ্টমী স্নানৰ লগত সংগতি ৰাখি প্ৰতি বছৰৰ দৰেই এইবাৰো আজিৰে পৰা ধুবুৰীত ১৫-দিনীয়া অশোকাষ্টমী মেলা আৰম্ভ হৈছে। মেলাখনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে চুবুৰীয়া পশ্চিম বংগৰ ব্যৱসায়ীসকলেও অস্থায়ী বিপণীৰ জৰিয়তে অংশগ্ৰহণ কৰিছে। মেলা উপলক্ষে ধুবুৰী জিলা প্ৰশাসনে ব্যাপক নিৰাপত্তাৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

ইয়াৰ লগতে কামৰূপ জিলাৰ শুৱালকুছিত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে পৰম্পৰাগতভাৱে অশোকাষ্টমী মেলা আৰম্ভ হৈছে। লগতে উত্তৰ গুৱাহাটীৰ অশ্বক্ৰান্ত দেৱালয়ৰ উদ্যোগত আয়োজিত মেলাত ব্ৰহ্মপুত্ৰ নৈৰ পাৰত থকা বিষ্ণুপদত অস্থি আৰু পিণ্ড বিসৰ্জন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা যাত্ৰীসকলে পুৱাৰেপৰা নৈৰ পাৰত ভিৰ কৰা পৰিলক্ষিত হৈছে।

০০০০০

অসম আৰক্ষীৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাৰ এটা অভিযানকাৰী দলে আজি দৰং জিলাৰ ছিপাঝাৰত বন বিভাগৰ এজন কৰ্মচাৰীক উৎকোচ লোৱা অৱস্থাত হাতে-লোটে আটক কৰে। নিৰ্দিষ্ট অভিযোগৰ ভিত্তিত দুৰ্নীতি নিবাৰক শাখাৰ আৰক্ষীয়ে অভিযুক্ত ছিপাঝাৰ কুৰুৱা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ কৰ্মচাৰী আমিনুল ইছলামক ধৰিবলৈ বেহু ৰচনা কৰে। ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বিজুলীবাৰীত অভিযোগকাৰীৰ সৈতে অৱস্থান কৰা দুৰ্নীতি নিবাৰক শাখাৰ দলটোৱে পূৰ্বৰ নিৰ্ধাৰিত অনুসৰি ৫ হাজাৰ টকা অভিযোগকাৰীৰ হাতৰ পৰা গ্ৰহণ কৰাৰ সময়তে আমিনুল ইছলামক আৰক্ষীয়ে আটক কৰে। অভিযুক্ত কৰ্মচাৰীগৰাকীয়ে অঞ্চলটোত থকা মাটি কৰিওৱা প্ৰতিখন ডাম্পাৰ, ট্ৰাক আদিৰ গৰাকীক বন বিভাগৰ পৰা ৰক্ষণাবেক্ষণ দিয়াৰ চৰ্তত মাহে ৩০ হাজাৰ টকাকৈ দাবী কৰা বুলি অভিযোগ উত্থাপন হৈছিল। ধৃত বন কৰ্মচাৰীজনৰ ঘৰ মঙলদৈ চহৰৰ কৰিমচৌকত।

০০০০০

সমাপ্ত